জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

১৮৩ সংখ্যা, ২৬ মাঘ, দেওবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 183 । DIBRUGARH, SUNDAY, FEBRUARY 9, 2025 । পৃষ্ঠা ১২+৪ (Pages 12-

‘আমাৰ সপোনৰ অসম ঃ নৱপ্ৰজন্মৰ দৃষ্টিভংগী’ শীৰ্ষক বক্তৃতানুষ্ঠান

## ‘সবল হ’ব লাগিব যুৱ সমাজৰ নৈতিকতা’






জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ৮ ফেব্ৰুৱাৰী ঃ ‘যুৱ সমাজৰ নৈতিকতা সবল হ’ব লাগিব। সমাজ বা ৰাজ্যখন সুস্থিৰ কৰি ৰাখিবলৈ হ’লে নৈতিকতাক অধিক গুৰুত্ব দিব লাগিব।’ ‘দৈনিক অসম’ৰ হীৰক জয়ন্তী বৰ্ষ উপলক্ষে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত আজি ‘দৈনিক অসমৰ আলাপ’ শীৰ্ষক এটা

**ডিব্ৰুগড়ত ‘দৈনিক অসমৰ আলাপ’**

অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে অৰুণাচল বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিভাগৰ সঞ্চালিকা গীতা গোস্বামীয়ে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ উদ্যোগত তথা কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, কানৈ কলেজ কুইজ আৰু তৰ্ক ক্লাব, ৰুক্মিণী কানৈ ছাত্ৰী নিবাস কুইজ আৰু

৬ পৃষ্ঠাত চাওক

## কাৰ্গিল চাপ
## বিদ্ৰোহীৰ ‘



ডেকা বয়সত স্বাধীনতাৰ ম
জীৱনৰ দুপৰীয়া ঘৰমুৱা হোৱা ম
এতিয়া কাৰ্গিল চাপৰিত সে
মাজুলীত ‘সেউজ বিপ্লৱ’ৰ সূচ
লৈ প্ৰাঞ্জল খাঁ

দেওবৰীয়া বিশেষ ইতিবাচক

‘দেশ ব
তেজতো
ঘোঁৰা। 
শোষকৰ

